# দশম অধ্যায়

# সঞ্চয় আৰু বিনিয়োগ

# (Savings and Investment)

## ১০.১ পাতনি (Introduction) ঃ

আগৰ পাঠটিত 'আয়'ৰ বিষয়ে গম পালা আৰু আয়ৰ পৰিচালনা পদ্ধতিৰ বিষয়েও কিছু কথা জানিব পাৰিলা। তোমালোকৰ বেছিভাগকে পিতৃ-মাতৃয়ে দৈনন্দিন খৰচৰ বাবে 'জেপ খৰচ' (Pocket money) দিয়ে। সেই পইছা আছুতীয়াকৈ কিয় ৰাখা? হয়তো কেতিয়াবা অসুবিধাত পৰা বুলি বা নিজে বিচৰা বস্তু গোটাবৰ বাবে বা বন্ধুক উপহাৰ আদি দিবৰ বাবে নহয়নে? তোমালোকৰ দৰে, পৰিয়ালৰ আয়ো পৰিচালনা কৰোঁতে ভৱিষ্যতৰ বাবে আছুতীয়াকৈ ৰখা হয় যাক আমি 'সঞ্চয়' বুলি কওঁ। এই পাঠটি পঢ়াৰ পিছত তলত দিয়া দিশবোৰ জানিবলৈ সহজ হ'ব।

- সঞ্চয় কি?
- সঞ্চয়ৰ প্ৰয়োজনীয়তা
- বিনিয়োগৰ ধাৰণা
- সঞ্চয় আৰু বিনিয়োগৰ পাৰ্থক্য
- বিনিয়োগৰ সুবিধা
- সঞ্চয় আৰু বিনিয়োগৰ অনুষ্ঠান— বেংক, পষ্টঅফিচ, বীমা নিগম আদি
- বিনিয়োগৰ পদ্ধতি নিৰ্বাচনৰ ভিত্তি

**ক) সঞ্চয়ৰ অৰ্থ (Meaning of Savings) ঃ** আয়ৰ এক অংশ ভৱিষ্যতে ব্যৱহাৰ কৰাৰ অৰ্থে আছুতীয়াকৈ ৰখাকে সঞ্চয় বুলি কোৱা হয়। সাধাৰণতে মানুহে তেওঁৰ আয়ৰ অধিক অংশ প্ৰয়োজন সমূহ পূৰণ কৰাত ব্যয় কৰে আৰু অলপ ভৱিষ্যতে ব্যৱহাৰ কৰিবৰ বাবে বেলেগে ৰাখে। এইদৰে আছুতীয়াকৈ ৰখাটোকেই সঞ্চয় বোলা হয়।

'সঞ্চয়' শব্দৰ অৰ্থ হ'ল ভোগ কৰাৰ পৰা আঁতৰি থকা। Varghese, Ogale আৰু Srinivasan মতে, **'সঞ্চয় হ'ল ভৱিষ্যতৰ ভোগৰ বাবে বৰ্তমানৰ ভোগৰ পৰা আঁতৰি থকা'** সকলো মানুহে নিজৰ নিৰাপত্তাৰ কথা চিন্তা কৰে আৰু আশা আকাংক্ষা পূৰণ কৰিব বিচাৰে। সেয়েহে আয়ৰ এক অংশ আঁতৰাই ৰাখি থয়। সঞ্চয়ক আয় আৰু ব্যয়ৰ মাজৰ পাৰ্থক্য বুলিও আখ্যা দিব পাৰি। ধৰা তোমালোকৰ পৰিয়ালৰ মাহিলী আয় ২৫,০০০ হেজাৰ টকা আৰু সকলোতে খৰচ হয় ২২,৫০০ টকা। বাকী ২,৫০০ টকা আছুতীয়াকৈ ৰাখে। তেতিয়া তোমালোকৰ মাহেকীয়া সঞ্চয় হ'ব ২,৫০০ টকা। যদিহে স্থিৰ পৰিমাণৰ টকা নিয়াৰিকৈ থোৱা নহয় সঞ্চয়ৰ পৰিমাণ পৰিবৰ্তন হৈ থাকিব।

| আয় — ব্যয়   সঞ্চয় |
|---|

সঞ্চয়ৰ সংজ্ঞা আমি এনেদৰে দিব পাৰো—

'ভৱিষ্যতে ব্যৱহাৰ আৰু আশা, আকাংক্ষা পূৰণ কৰিবৰ বাবে, বৰ্তমানৰ আয়ৰ এক অংশ আছুতীয়াকৈ ৰখাই হ'ল সঞ্চয়'।

আমি এতিয়া চাওঁচোন, সঞ্চয়েনো পৰিয়াল এটাক কেনেদৰে সহায় কৰে।


**খ) সঞ্চয়ৰ গুৰুত্ব (Importance of Savings) ঃ**

পৰিয়ালৰ আৰ্থিক দিশৰ অগ্ৰগতিত সঞ্চয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা লয়।

**১) পৰিয়ালৰ আৰ্থিক নিৰাপত্তা (Economic Security) ঃ** সঞ্চয়ৰ যোগেদি পৰিয়ালৰ সদস্য সকলে নিৰাপদ অনুভৱ কৰিব পাৰে। কিয়নো আমি কোনেও ভৱিষ্যতৰ কথা নাজানো। আমাৰ যিকোনো মুহূৰ্ততে যিকোনো ধৰণৰ ঘটনা ঘটিব পাৰে বা বিপদ আহিব পাৰে। তেনে সময়ত বহুত অৰ্থৰ প্ৰয়োজন হয়, তেতিয়া সঞ্চয়ে যথেষ্ট সহায় কৰে আৰু ইয়াৰ বাবে পৰিয়ালৰ সদস্য সকলেও নিৰাপদ অনুভৱ কৰে।

কেতিয়াবা কিবা কাৰণত পৰিয়ালৰ উপাৰ্জন কৰা ব্যক্তিজন নিলম্বিত বা চাকৰি হেৰুৱাব পাৰে বা আন সমস্যাত পৰিব পাৰে। তেতিয়া যদি সঞ্চয় থাকে তাক ব্যৱহাৰ কৰি পৰিস্থিতি মোকামিলা বা সমস্যা সমাধান কৰিব পাৰি। ধৰা, তোমাৰ বন্ধু 'ৰাণীৰ' দেউতাকে কাম কৰা প্ৰতিষ্ঠানটো বন্ধ হৈ গ'ল। তেতিয়া তাইৰ দেউতাকৰ চাকৰি নোহোৱা হ'ল ফলত ৰাণীহ'তৰ পৰিয়ালৰ আৰ্থিক নাটনিয়ে দেখা দিলে। যদি ৰাণীৰ দেউতাকে ভালকৈ সঞ্চয় কৰি থৈছিল তেতিয়া সমস্যা সমাধান কৰিবলৈ সহজ হ'ব।

ইয়াৰ উপৰিও মানুহে এটা নিৰ্দিষ্ট বয়সলৈকেহে কাম কৰাৰ অৰ্থাৎ অৰ্জন কৰাৰ ক্ষমতা থাকে। তাৰ পিছত সেই ক্ষমতা কমি যায় বা নোৱাৰা হয়। তেতিয়া ব্যক্তিয়ে নিজে বা পৰিয়াল চলাবৰ বাবে সঞ্চয়কেই ব্যৱহাৰ কৰে। সেয়েহে বৃদ্ধ বয়সৰ নিৰাপত্তাৰ বাবে সঞ্চয় কৰাৰ প্ৰয়োজন।




সঞ্চয়ৰ প্ৰয়োজনীয়তা বা গুৰুত্ব

২) **পৰিয়ালৰ প্ৰয়োজন পূৰণ (Fulfilling Needs of the Family) ঃ** প্ৰত্যেক পৰিয়ালৰ কেতবোৰ প্ৰয়োজন থাকে আনকি এটা পৰিয়ালৰ বিভিন্নজন সদস্যৰো বেলেগ বেলেগ প্ৰয়োজন থাকিব পাৰে এনে প্ৰয়োজন সমূহ পূৰণ কৰিবৰ বাবে যথেষ্ট অৰ্থৰ প্ৰয়োজন হয়, যিটো সঞ্চয়ৰ যোগেদি পূৰণ কৰিব পাৰি। ধৰা তোমালোকৰ পৰিয়ালত সকলো ল'ৰা-ছোৱালীয়ে উচ্চ শিক্ষা পোৱাটো প্ৰয়োজন বুলি গণ্য কৰা হয়। সেই প্ৰয়োজন পূৰণৰ বাবে যথেষ্ট অৰ্থৰ প্ৰয়োজন হয়, যিটো সঞ্চয়ৰদ্বাৰা কৰিবলৈ সহজ হৈ পৰিব।

৩) **জীৱন-ধাৰণৰ মানদণ্ড বজাই ৰখা (Maintanence of Standard of living) ঃ** প্ৰত্যেক পৰিয়ালৰ নিজস্ব মানদণ্ড থাকে আৰু সেই অনুসৰি পৰিয়াল পৰিচালনা হয়, মানদণ্ড বজাবৰ বাবে কেতবোৰ সা-সামগ্ৰীৰ প্ৰয়োজন হয়। সেইবোৰ অধিগ্ৰহণত সঞ্চয়ে সহায় কৰিব পাৰে।

৪) **পৰিয়ালৰ আৰ্থিক অৱস্থা উন্নত কৰা (Improving economic condition of family) ঃ** পৰিয়াল এটাৰ আৰ্থিক অৱস্থা উন্নত কৰাত ই এক গুৰুত্বপূৰ্ণ ভূমিকা লয়। পৰিয়ালৰ আয়ৰ পৰা নিয়াৰিকৈ সঞ্চয় কৰি সেই সঞ্চয় যদি ভালকৈ বিনিয়োগ কৰা হয়, তেতিয়া নতুন আয়ৰ উৎস পোৱাৰ লগতে মূলধনৰ পৰিমাণো বাঢ়ি গৈ থাকিব। ধৰা তোমাৰ বান্ধৱী ৰিচাহঁতৰ পৰিয়ালত দেউতাকে চাকৰি কৰি এটা সীমিত পৰিমাণৰ টকা অৰ্জন কৰে। ৰিচাৰ মাকে ঘৰখন তাৰেই চলায়। অলপ সঞ্চয় নিয়মীয়াকৈ কৰি ৰাখে, সেই সঞ্চয়ৰ টকা কেইবামাহৰো গোটাই মাকে যদি স্থিৰ হিচাপত জমা (fixed deposit) থয় তেতিয়া ৰিচাহঁতৰ মূলধন বাঢ়িব, তাৰ পৰা যি সুত পাব সেইয়া আয় হ'ব।

৫) **সঞ্চয়ৰ যোগেদি অনথা খৰচৰ কৰ্তনৰ সম্ভৱ হয় (Possible to cut down unnecessary expenditure) ঃ** যদি আমাৰ সঞ্চয় কৰাৰ অভ্যাস থাকে তেতিয়া আমি কিছুমান প্ৰয়োজন নোহোৱা খৰচ কৰ্তন কৰিব পাৰো। আমাৰ হাতত যদি টকা-পইছা অলপ বেছিকৈ থাকে তেতিয়া আমি লগা বা নলগা, দেখি ভাল লগা বস্তু কিনি খৰচ কৰি পেলাওঁ। কিন্তু এনে খৰচ ৰোধ কৰিব পাৰো সঞ্চয়ৰ যোগেদি। অৰ্থাৎ সঞ্চয়ে আমাক মিতব্যয়ী হ'বলৈ শিকায়।

৬) **অন্যান্য সুবিধাসমূহ (Others) ঃ** সঞ্চয়ে আমাৰ যদি পুৰণা ধাৰ বা ঋণ থাকে তাক পৰিশোধ কৰাত সহায় কৰে। পৰিয়ালৰ অগ্ৰন্যাদী আৰু দীৰ্ঘম্যাদি লক্ষ্য সমূহ পূৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা লয়।

৭) **ৰাষ্ট্ৰৰ বিকাশত সঞ্চয়ৰ অৰিহণা (Contribute to national development) ঃ** ব্যক্তিয়ে যি সঞ্চয় কৰে সেই সঞ্চয় ৰাষ্ট্ৰই বিভিন্ন ক্ষেত্ৰত বিনিয়োগ কৰি ৰাষ্ট্ৰৰ বিকাশ ঘটায় আৰু ৰাষ্ট্ৰৰ নিৰাপত্তাৰ বাবে ব্যৱহাৰ কৰে।

গ) **বিনিয়োগ (Investment) ঃ** আয়ৰ এক অংশ যদি আছুতীয়াকৈ ৰাখি, এনে ঠাইত বা সম্পদত খটুৱা হয়, যাৰ পৰা আয় প্ৰবাহিত হয় তাক বিনিয়োগ কৰা বুলি কোৱা হয়। সঞ্চিত ধন খৰচ কৰি যেতিয়া আয় পাব পাৰি তাক বিনিয়োগ বোলে। বিনিয়োগ হ'ল এনে এক উপায় য'ত সঞ্চিত ধন উৎপাদনশীল কাৰ্যত খটুৱা হয়। বিনিয়োগৰ পৰা পোৱা আয় নিয়মীয়া হ'ব পাৰে বা এককালীনো হ'ব পাৰে। ধৰা তোমাৰ মাৰ হাতত ১০,০০০ টকা আছে সেই টকা যদি ছয়মাহ

বা এক বছৰৰ বাবে মাৰ হাততে ৰাখি থয়, তেতিয়া তাৰ পৰা একো আয় পাব নোৱাৰিব। আনহাতে যদি মায়ে ক'ৰবাত বিনিয়োগ কৰি বা খটুৱাই তাৰ পৰা কিছু পৰিমাণে হ'লেও আয় কৰিব পাৰিব। (যদি ৭% বছৰি সুতত থয় তেতিয়া ১০,৭০০ টকা পাব পাৰিব)

'বিনিয়োগ' বিভিন্ন ধৰণেৰে কৰিব পাৰি। যেনে বিত্তীয় অনুষ্ঠান— বেংক, বীমা নিগম, পষ্ট অফিচ আদি। তোমালোকে নিশ্চয় এই প্ৰতিষ্ঠান সমূহৰ কথা শুনিছা বা দেখিছা। তোমালোকৰ ভিতৰৰে কোনো কোনোৱে হয়তো এনে অনুষ্ঠানৰ লগত লেনদেন কৰাৰ অভিজ্ঞতাও আছে, নহয়নে? এই অনুষ্ঠান সমূহৰ বিভিন্ন আঁচনি থাকে, সময়ে সময়ে এই আঁচনিসমূহ সলনি কৰি থাকে। এই আঁচনি সমূহৰ জ্ঞান বিনিয়োগকাৰীৰ থকা প্ৰয়োজন। ইয়াৰ উপৰিও এনে অনুষ্ঠান সমূহৰ বিষয়ে জনা সকলোৰে দৰকাৰ। সঞ্চয় আৰু বিনিয়োগ কৰিবৰ বাবে থকা অনুষ্ঠানসমূহ কেনেধৰণেৰে পৰিচালনা হয়, কেনেধৰণেৰে পইছা সঞ্চয় কৰি বিনিয়োগ কৰিব পাৰি আৰু কি উপায়েৰে প্ৰয়োজনীয় পইছা উলিয়াব পাৰি ইত্যাদি বিষয়ে জ্ঞান থাকিলে বিনিয়োগ কৰিবলৈ সহজ হৈ পৰে।

বিনিয়োগ বিত্তীয় অনুষ্ঠানত কৰাৰ বাদেও আন আন বহুত উপায়েৰে কৰিব পাৰি। যেনে— কোনো কোম্পানীত বা উদ্যোগৰ অংশীদাৰ পত্ৰ (share), বণ্ড (bond), ক্ৰয় কৰি, মাটি ক্ৰয় কৰি, সোণৰ বিস্কুট বা কইনছ (coins), সমবায় সমিতিৰ সদস্য হৈ ইত্যাদি। বৰ্তমান সময়ত 'ৰিয়েল ষ্টেট' আৰু 'সোণৰ মূল্য' বহুত বেছি। যোৱা বছৰটোৰ ভিতৰত (2009-2010) ১০ গ্ৰাম সোণৰ মূল্য ১৬,০০০ হেজাৰ টকাৰ পৰা বাঢ়ি গৈ ২০,০০০ পৰ্যন্ত হৈছে। সেয়েহে মানুহে সোণ কিনি ৰাখিব পাৰে, অৰ্থাৎ সোণত বিনিয়োগ কৰাৰ প্ৰতি আগ্ৰহী হৈছে, ফলত সোণৰ চাহিদা বাঢ়িছে। সোণৰ দৰে, মাটি কিনি থলেও অৰ্থাৎ বিনিয়োগ কৰিলেও লাভ হয়।

**(ঘ) সঞ্চয় আৰু বিনিয়োগৰ পাৰ্থক্য** (Difference between savings and Investment) ঃ 'সঞ্চয়' আৰু 'বিনিয়োগ' এই দুটা ধাৰণা এটাৰ আনটো পৰিপূৰক, যদিও পাৰ্থক্য নথকা নহয়। দুয়োটাৰে মাজত থকা পাৰ্থক্য তলত দাঙি ধৰা হৈছে।

| সঞ্চয় | বিনিয়োগ |
|---|---|
| ক) সঞ্চয়ৰ অৰ্থ হ'ল আয়ৰ এক অংশ ভৱিষ্যতৰ বাবে আছুতীয়াকৈ ৰখা। | বিনিয়োগ হ'ল সঞ্চিত ধন উপাৰ্জনশীল কামত খটুৱা। |
| খ) ই সঞ্চয়কাৰীক নিৰাপত্তা দিয়ে। | ইয়াৰ (risk) লোকচান হোৱাৰ ভয় থাকে অৰ্থাৎ অনিশ্চয়তা থাকে। |
| গ) ইয়াৰ যোগেদি হোৱা আয়ৰ পৰিমাণ কম কিন্তু নিয়মীয়া। | ইয়াৰ যোগেদি দ্ৰুতগতিত আয়ৰ পৰিমাণ বঢ়াব পাৰি। |
| ঘ) সঞ্চয় কৰিবৰ বাবে অনুষ্ঠানৰ প্ৰয়োজন হয়। | বিনিয়োগ বিভিন্ন ধৰণেৰে কৰিব পাৰি। যেনে— ব্যৱসায়, সোণ, মাটি, কোম্পানীৰ অংশপত্ৰ ক্ৰয় কৰি ইত্যাদি। |

**সঞ্চয় আৰু বিনিয়োগৰ বিভিন্ন অনুষ্ঠানসমূহ (Different Intitution for savings and Investment) ঃ**

**বেংক (Bank) ঃ** ই হ'ল বিত্তীয় প্ৰতিষ্ঠান য'ত ব্যক্তিয়ে নিৰাপদে টকা জমা ৰাখিব পাৰে আৰু প্ৰয়োজনত উলিয়াব পাৰে। ইয়াত টকা জমা কৰিলে জমাকাৰীয়ে, তেওঁ ৰখা টকাৰ বিপৰীতে সুত পায়। যিটো তিনিমাহ বা ছয়মাহ বা বছৰেকত জমা হয়। বেংকত টকা থোৱাৰ সুবিধা আছে যেনে—


(ক) বেঙ্কত টকা থলে নিৰাপদে ৰাখিব পাৰি, হেৰুৱাৰ কোনো ভয় নাথাকে।

(খ) সঞ্চয় কৰা টকাৰ পৰা সুত হিচাপে 'আয়' কৰিব পাৰি।

(গ) সঞ্চয় কৰাৰ অভ্যাস গঢ় দিব পাৰি ফলত অলাগতিয়াল খৰচ কৰাৰ পৰা বিৰত থাকিব পাৰি।

(ঘ) প্ৰয়োজনৰ সময়ত উলিয়াব পাৰি, টকা লৈ ফুৰাৰ ভয় বা বিপদ নাথাকে।

(ঙ) বেংকৰ নানান সুবিধাসমূহ যেনে ড্ৰাফট বনোৱা, মূল্যৱান নথি-পত্ৰ, গহণা আদি লকাৰত (locker) ৰাখিব পাৰি।




বিনিয়োগৰ বিভিন্ন প্ৰকাৰ অনুষ্ঠান

**বেংকত টকা জমা কৰাৰ পদ্ধতিমসমূহ (Methods of depositing money in the bank) ঃ**

বেংকত বিভিন্ন পদ্ধতিৰ সহায়েৰে টকা জমা থব পাৰি। যেনে— চলিত হিচাপ (current account), সঞ্চয়ী বা জমা হিচাপ (Saving deposit), স্থিৰ হিচাপ (fixed deposit), ৰেকাৰিং হিচাপ (Recurring deposit) আদি। তোমালোকে নিশ্চয় এইবোৰৰ নাম শুনিছা বা এনে পদ্ধতিৰে পইছা ৰাখিছা।

বেংকত টকা জমা কৰিবৰ বাবে প্ৰথমে এখন আবেদন কৰিব লাগে যাৰ বাবে এখন নিৰ্দিষ্ট ফৰ্ম থাকে। সেইখনত আবেদনকাৰীয়ে নিজৰ নাম, ঠিকনা, পৰিচয় পত্ৰ, ফটো আদি লিখি সেইবোৰৰ নথি-পত্ৰ ফৰ্মৰ লগত গাঁঠি এটা পৰিমাণৰ টকা সহ জমা দিব লাগে। ইয়াৰ লগতে জমাকাৰীয়ে নমুনা চহীৰ প্ৰ-পত্ৰও দিব লগা হয়। পাছত তেওঁ বেংকৰ পৰা এখন পাচবুক, চেকবুক বা টকা উঠোৱা শ্লিপ, জমাশ্লিপ পায়। ইয়াৰ সহায়েৰে জমাকাৰীয়ে বেংকৰ লগত টকা পইছাৰ আদান-প্ৰদান কৰে। তোমালোকে নিশ্চয় এনেধৰণৰ আদান-প্ৰদান কৰা দেখিছা বা শুনিছা। এতিয়া আমি সচৰাচৰ কৰি থকা কেইটামান পদ্ধতিৰ বিষয়ে জানো আহা—

**(ক) চলিত হিচাপ (Current account) ঃ** সাধাৰণতে যি সকল ব্যক্তিয়ে ব্যৱসায় বাণিজ্য কৰে, কোন সময়ত কিমান পইছাৰ প্ৰয়োজন হ'ব তাৰ নিশ্চয়তা নাথাকে, গম নাপায় বা হঠাতে পইছা পায়, তেনেক্ষেত্ৰত এনে হিচাপে যথেষ্ট সহায় কৰে। সেয়েহে তেনে ব্যক্তিয়ে এই হিচাপত পইছা ৰাখে। ইয়াৰ পৰা পইছা উলিয়াই নিয়াৰ কোনো সীমা

নাথাকে অৰ্থাৎ প্ৰয়োজন অনুসৰি উলিয়াব পাৰি। ইয়াৰ সুতৰ হাৰ অতি কম।

**(খ) সঞ্চয়ী বা জমা হিচাপ (Saving account) :** যি কোনো মানুহেই এই হিচাপ খুলিব পাৰে। এনে হিচাপ খুলিবৰ বাবে প্ৰয়োজন হোৱা টকাৰ পৰিমাণ বেলেগ অঞ্চলৰ বাবে বেলেগ হয়— গ্ৰাম্য অঞ্চলৰ বাবে ২৫০ টকা, Semi Urban-ৰ বাবে ৫০০ টকা, নগৰৰ বাবে ২০০০ টকা ইত্যাদি। এনে একাউন্টত টকা জমা দিয়াৰ কোনো নিৰিখ নাথাকে। জমাকাৰীয়ে ইচ্ছা অনুযায়ী থব পাৰে কিন্তু উলিয়াবৰ বাবে এটা নিৰিখ থাকে। এনে পদ্ধতিত টকা থ'লে জমাকাৰীক এটা নিৰ্দিষ্ট পৰিমাণৰ সুত দিয়ে।

**(গ) স্থিৰ হিচাব (fixed deposit) :** এনে হিচাবত টকা ৰাখিলে জমাকাৰীয়ে এটা নিৰ্দিষ্ট পৰিমাণৰ টকা এটা নিৰ্দিষ্ট সময়ৰ বাবে জমা ৰাখে। এই সময় বিভিন্ন হ'ব পাৰে আৰু যিটো সময়ৰ বাবে টকা ৰাখে সেই সময়ৰ আগতে উলিয়াব নোৱাৰে। ইয়াৰ সুতৰ হাৰো বেছি। অৱশ্যে নিৰ্দিষ্ট সময়ৰ আগত যদি বিশেষ কাৰণত উলিয়াব বিচাৰে তেতিয়া সুতৰ পৰিমাণ কম পায়।

এই তিনিটাৰ উপৰিও জমাকাৰীয়ে আন আন আঁচনিৰ অধীনত বেংকত টকা জমা থ'ব পাৰে। যেনে— ৰেকাৰিং জমা আঁচনি। কোনো কোনো বেংকত দুখিয়া মানুহৰ বাবে No Frills account নামেৰে account আছে য'ত মাত্ৰ ৫০ টকাৰে একাউন্ট খুলিব পাৰে আৰু ৫০,০০০ টকালৈ সঞ্চয় কৰিব পাৰে। এনে একাউন্টত চেক ব্যৱহাৰ নহয়।

বেংকত টকা আদান-প্ৰদান কৰিবৰ বাবে কেতবোৰ সঁজুলি ব্যৱহাৰ হয়। যেনে— চেক আৰু জমা শ্লিপ।

**জমা শ্লিপ :** ই হ'ল বেংকত টকা জমা দিবৰ বাবে ব্যৱহাৰ কৰা এখন ফৰ্ম। এই ফৰ্ম বেংকে যোগান ধৰে। ইয়াত জমাকাৰীয়ে তেওঁৰ নাম, একাউন্ট নাম্বাৰ, টকাৰ পৰিমাণ, তাৰিখ স্পষ্টকৈ লিখি টকা সহ জমা দিয়ে। ইয়াৰ যোগেদি জমাকাৰীয়ে তেওঁৰ নামত অহা চেক, ড্ৰাফট আদিও জমা দিব পাৰে।

**চেক :** বেংকৰ পৰা টকা উলিয়াবৰ বাবে এই পত্ৰ বা সঁজুলি ব্যৱহাৰ কৰা হয়। এইখন জমাকাৰীক বেংকে যোগান ধৰে। চেকৰ সহায়েৰে জমাকাৰীয়ে পৰিশোধ কৰিব লগীয়া নানান বিল, কৰ আদিও পৰিশোধ কৰে। চেক তিনি প্ৰকাৰৰ— **অৰ্ডাৰ** চেক, বিয়েৰাৰ চেক আৰু ক্ৰছদ চেক।

**অৰ্ডাৰ চেক (Order cheque) :** এই চেকত 'অৰ্ডাৰ' শব্দটো থাকে। বিয়েৰাৰ শব্দটো কাটি দিয়া হয় আৰু যাৰ নামত চেকখন দিয়া থাকে তেওঁক টকাটো পৰিশোধ কৰা হয় বা তেওঁ যিজনৰ নামত নমিনেট কৰি চেকৰ পিছফালে স্বাক্ষৰ কৰে তেওঁক পৰিশোধ কৰে। এইচেকখন নিৰাপদ, হেৰালেও কোনো ভয় নাথাকে।

**বিয়েৰাৰ চেক (Bearer cheque) :** এই চেকৰ ওপৰত Pay বা bearer শব্দটো লিখা থাকে আৰু যিজন ব্যক্তিৰ নামত চেকখন দিয়া হয়, তেওঁৰ নামটো লিখাৰ পাছত, টকাৰ পৰিমাণ লিখি, তাৰিখ দি, ব্যক্তি বা প্ৰতিষ্ঠানৰ চহী বা স্বাক্ষৰ থাকে। এই চেকৰ সুবিধা হ'ল যাৰ নামত চেক দিয়া হয় তেওঁ নিজে বেংকত নোযোৱাকৈ বা উপস্থিত নথকাকৈ টকা ভঙাই আনিব পাৰে। এনে চেকৰ দ্বাৰা টকা উলিয়াবলৈ সহজ, কিন্তু নিৰাপদ নহয়। কিয়নো যদি চেকখন

হেৰায়, তেতিয়া আনে টকা ভঙাই লৈ যাব পাৰে। সেয়েহে হেৰুওৱাৰ লগে লগে বেংকত খবৰ দিব লাগে।

**ক্ৰছ্দ চেক (Crossed cheque) ঃ** এই চেকখনৰ বাওঁপিনে কোণত দুডাল সমান্তৰাল ৰেখা বা আঁচ টানি তাৰ মাজত একাউন্ট পেয়ী (A/C Payee) বা এণ্ড কোং টনা হয়। এনে চেকৰ সহায়েৰে যাৰ নামত চেক থাকে তেওঁ জমা দিয়াৰ লগে লগে পইছা উলিয়াব নোৱাৰে। তেওঁৰ নিজৰ একাউন্টত প্ৰথমে জমা দিব লাগে। একাউন্টত চেকখন জমা দিলে, তেওঁৰ একাউন্টত প্ৰথমে পইছা জমা হ'ব পাছত বেলেগ চেক দি পইছা উলিয়াব পাৰিব। সেয়েহে এই চেক পাবৰ দিনাই বেংকৰ পৰা টকা উলিয়াব নোৱাৰি আৰু এই চেক বেলেগ মানুহৰ হাতত পৰিলেও কোনে ভয় নাথাকে। কিয়নো সেই ব্যক্তিয়ে একো কৰিব নোৱাৰে। সেয়েহে এই চেক নিৰাপদ আৰু জমাকাৰীয়ে বা ব্যক্তিৰ নিৰাপত্তাৰ কাৰণেই এনে ব্যৱস্থা লোৱা হৈছে।

**(ক) সৰল ক্ৰছ্দ চেক ঃ** এনে চেকৰ বাওঁপিনে ওপৰত টনা দুডাল সমান্তৰাল ৰেখাৰ মাজত 'এণ্ড কোং' (& Co) লিখা থাকে। এনে চেক জমাকাৰীয়ে যিকোনো বেংকত নিজৰ একাউন্টত জমা দিব পাৰে বা যদি তেওঁৰ একাউন্ট নাথাকে তেতিয়া আনৰ একাউন্টটো জমা দিব পাৰে আৰু যাৰ নামৰ একাউন্টত দিয়ে তেওঁৰ যোগেদি পইছা বেংকৰ পৰা উলিয়াব পাৰে।

**(খ) বিশেষ ক্ৰছ্দ চেক ঃ** এনে চেক বেছি নিৰাপদ আৰু তিনিধৰণৰ আছে—প্ৰথমটোত চেকখনৰ বাওঁপিনৰ সমান্তৰাল ৰেখা দুডালৰ মাজত 'একাউন্ট পেয়ী" (Account Payee) বা 'নিগচিয়েট কৰা নহয়' এইদৰে (Not negotiable) লিখা থাকে আৰু যাৰ নামত দিয়া হয় তেওঁৰ একাউন্টতহে জমা দিব পাৰি, আনৰ একাউন্টত দিব নোৱাৰি।

দ্বিতীয় বিধৰ সমান্তৰাল ৰেখা দুডালৰ মাজত বেংকৰ নাম দিয়া হয় আৰু যিটো বেংকৰ নাম দিয়া থাকে সেই বেংকত হে চেকখন জমা দিব পাৰি।

তৃতীয় বিধত চেকখনত 'একাউন্ট পেয়ী বা নিগচিয়েট নহয় (A/C Payee or not negotiable) লিখাৰ লগতে বেংকৰ নাম উল্লেখ কৰা থাকে। ৰেখা দুডালৰ মাজত, জমাকাৰীয়ে উল্লেখিত বেংকৰ নিজৰ, একাউন্টত জমা দিব পাৰে। কিন্তু বেলেগ একাউন্ট বা বেলেগ বেংকত জমা দিব নোৱাৰে। সেয়েহে এনে চেক বৰ নিৰাপদ।

চেক বহুত ধৰণৰ আছে। যেনে— ব্লেংক চেক, State cheque, Post dated cheque, Open চেক আদি। তোমালোকে এনে চেকৰ নাম শুনিব পাৰা আৰু কেতিয়াবা cheque dishonour হোৱাৰ বিষয়ে শুনিছানে? চেক dishonour বিভিন্ন কাৰণত হ'ব পাৰে যেনে— চেকখনত দিয়া তাৰিখৰ পৰা ছমাহ পাৰ হৈ গ'লে, চেক দিয়া ব্যক্তিৰ একাউন্টত প্ৰয়োজনীয় পৰিমাণৰ টকা জমা নাথাকিলে, চেকত লিখা টকাৰ পৰিমাণৰ সংখ্যা আৰু আখৰৰ লিখাত ব্যৱধান থাকিলে, চেকখনত কটা কুটা বা আখৰ স্পষ্ট নহ'লে (দুবাৰকৈ ঘঁহিয়ালে) চেকৰ স্বাক্ষৰকাৰীৰ চহী নিমিলিলে ইত্যাদি। সেয়েহে চেক এখন দিয়াৰ আগতে, লিখোতে সাৱধান হ'ব লাগে।

ইয়াৰ উপৰিও বেংকৰ পৰা টকা উলিওৱা আন এক উপায় হ'ল ATM (Automated teller

Machine) ব্যৱস্থা। তোমালোকে নিশ্চয় বিভিন্ন বেংকৰ 'ATM' বজাৰ, পেট্ৰল ডিপোত, ৰাস্তাৰ দাঁতিত থকা দেখিছা। তোমালোকে ইয়াৰ সুবিধা লৈছা নে? এতিয়া আগৰদৰে বজাৰলৈ বা ফুৰিবলৈ, আন কামত গ'লে পইছা লৈ ফুৰাৰ প্ৰয়োজন নাই। তোমাৰ যদি বেংকত একাউন্ট আৰু পইছা থাকে তেতিয়া তুমি ATM ৰ সুবিধা ভোগ কৰিব পাৰা।

এই সুবিধা দিনটোৰ ২৪ ঘন্টাই থাকে আৰু জমাকাৰীয়ে তেওঁৰ সুবিধা অনুযায়ী পইছা উলিয়াব পাৰে। ইয়াৰ বাবে প্ৰয়োজন হয় ATM ৰ কাৰ্ড আৰু পিন (PIN) নাম্বাৰ। ইয়াৰ উপৰিও জমাকাৰীয়ে তেওঁৰ একাউন্টত বিষয়ে সবিশেষ ATM ৰ পৰা জানিব পাৰে।

**পষ্ট অফিচ (Postoffice) :** পষ্ট অফিচ সমূহে এটা অঞ্চলৰ পৰা আন এটা অঞ্চলৰ লগত যোগাযোগ স্থাপন কৰাৰ উপৰিও সঞ্চয় আৰু বিনিয়োগৰ অনুষ্ঠান হিচাপে কাম কৰে। এই পষ্ট অফিচসমূহ যিকোনো ভিতৰুৱা গাওঁ, পাহাৰীয়া অঞ্চল, নগৰ-চহৰ সকলোতে আছে। য'ত বেংক আদি পোৱা নাযায় তাতো ইয়াক পোৱা যায়। সেয়েহে সৰ্বসাধাৰণ মানুহ বিশেষকৈ ভিতৰুৱা, পাহাৰীয়া অঞ্চলৰ জনগণে সঞ্চয় কৰিব পাৰে আৰু তেওঁলোকৰ মাজত সঞ্চয়ৰ অভ্যাস গঢ় দিব পাৰে। পষ্ট অফিচত অতি কম পৰিমাণৰ টকাৰে একাউন্ট খুলিব পাৰি আৰু টকা উলিয়াবলৈ চেক বা টকা উলিওৱা প্ৰ-পত্ৰ (withdrawal form) ব্যৱহাৰ কৰিব পাৰি আৰু একাউন্টৰ লগত জমাকাৰীক পাছবুক দিয়া হয়। পষ্ট অফিচৰ এটা বিশেষ সুবিধা হ'ল প্ৰধান ডাক ঘৰৰ অধীনত থকা যিকোনো শাখা ডাকঘৰ (sub post office) ত টকা জমা দিব পাৰি। কিন্তু য'ত প্ৰথমে একাউন্ট খোলা হয় তাৰ পৰাহে পইছা উলিয়াব পাৰি। ইয়াতো বেংকৰ দৰে জমাকাৰীয়ে এটা নিৰ্দিষ্ট পৰিমাণৰ সুত জমা টকাৰ ওপৰত পায়। পষ্ট অফিচৰ পৰা টকা উলিয়াবলৈ হ'লে, জমাকাৰীয়ে এখন নিৰ্দিষ্ট ফৰ্মত টকাৰ পৰিমাণ জনাই অনুৰোধ কৰি পাছবুকৰ সৈতে জমা দিয়ে। ডাকঘৰৰ বিষয়াই জমাকাৰীৰ চহী ভালকৈ নিৰীক্ষণ কৰি পইছা তোলাৰ অনুমতি দিয়ে। যদি চহী নিমিলে তেতিয়া টকা উলিয়াব নোৱাৰে। অৱশ্যে জমাকাৰীয়ে যদি বিষয়া গৰাকীৰ সন্মুখত চহী মাৰি দিয়ে তেতিয়া উলিয়াব পাৰে।

পষ্ট অফিচৰ অধীনত থকা নানান আঁচনিসমূহ হ'ল— পাঁচ বছৰীয়া পৌনঃপুনিক জমা আঁচনি, ডাকঘৰ ম্যাদি জমা আঁচনি, কিষাণ বিকাশ পত্ৰ, ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণ পত্ৰ আঁচনি আদি।

**বীমা নিগম (Insurance Corporation) :** বীমা নিগম হ'ল এক অনুষ্ঠান য'ত জনসাধাৰণে টকা সঞ্চয় আৰু বিনিয়োগ কৰিব পাৰে। ই এক বাধ্যতামূলক সঞ্চয়ৰ অনুষ্ঠান বুলি ক'ব পাৰি। ইয়াত ব্যক্তিয়ে এটা নিৰ্দিষ্ট পৰিমাণৰ টকা, এটা নিৰ্দিষ্ট সময়ৰ বাবে কিস্তি হিচাপে জমা কৰিব পাৰে আৰু ইয়াৰ বাবে নিগম আৰু জমাকাৰীৰ মাজত এক চুক্তি কৰা হয়। সেই চুক্তিক পলিচি (Policy), কিস্তিক প্ৰিমিয়াম (Premium) আৰু জমাকাৰী ব্যক্তিক বীমাকাৰী বুলি জনা যায়। তেওঁ চুক্তি অনুসৰি কিস্তি হিচাপত নিগমত টকা জমা দিয়ে। যদি বীমাকাৰীৰ কিবা অঘটন ঘটে তেওঁ চুক্তি কৰোঁতে যাৰ নাম মনোনীত কৰিছিল, তেওঁক পাব লগা টকাখিনি বীমা নিগমে পৰিশোধ কৰে।

বীমা নিগমৰো বহুত আঁচনি আছে— যেনে আজীৱন বীমা আঁচনি, মিয়াদী বীমা আঁচনি, যৌথ মিয়াদী বীমা আঁচনি, জীৱন ধাৰা, জীৱন সুৰক্ষা আদি নানা আঁচনি আছে। মানুহে বীমা নিগমে আগবঢ়োৱা বিভিন্ন আঁচনিসমূহ বিভিন্ন কাৰণত গ্ৰহণ কৰে। যেনে— ভৱিষ্যত নিৰাপত্তা, দুৰ্ঘটনা, বেমাৰ আজাৰ, জুই, গৰু মূল্যৱান সম্পত্তি চোৰ হোৱা হেৰুৱা আদিৰ বাবে বীমা কৰিলে, বীমাকাৰীয়ে নানান বিপদ বিঘিনিৰ সময়ত সকাহ পায়। ইয়াৰ উপৰিও ল'ৰা-ছোৱালীৰ উচ্চশিক্ষাৰ বাবে, বিবাহ, উৎসৱ আদি পাতিবৰ বাবে, গৃহ সাজিব, ব্যৱসায় আদি গঢ়িবৰ বাবেও বীমা নিগমত সঞ্চয় আৰু বিনিয়োগ কৰে।

**Units (গোট বা একক ) ঃ** তোমালোকে নিশ্চয় ইউনিট ট্ৰাষ্ট অব ইণ্ডিয়াৰ নাম শুনিছা। ই হ'ল ৰাষ্ট্ৰীয় বিত্তীয় অনুষ্ঠান, যি জনসাধাৰণৰ মাজত সঞ্চয়ৰ ভাব গঢ় দিবলৈ বা সঞ্চয়ৰ প্ৰতি উৎসাহ বঢ়াবলৈ কোম্পানীৰ অংশ বা ইউনিট বিক্ৰী কৰে। এই ইউনিটৰ মূল্য হয় ১০ টকা আৰু এজন ব্যক্তিয়ে অতি কমেও ১০ টা ইউনিট বা বেছিকৈ নিজৰ নামত ব্যক্তিগতভাৱে বা যৌথভাৱে ক্ৰয় কৰিব পাৰে। ইউনিটসমূহ প্ৰত্যক্ষভাৱে ইয়াৰ কাৰ্যালয়ৰ পৰা বা বেংক, ডাকঘৰ এজেন্টৰ পৰা ল'ব পাৰে। ইয়াত বিনিয়োগ কৰা ব্যক্তিয়ে বছৰি এটা সুতৰ হাৰ পায় আৰু প্ৰয়োজন হ'লে ইউনিট বিক্ৰী কৰিব পাৰে।

**প্ৰভিডেন্ট ফাণ্ড ঃ** ই এক বাধ্যতামূলক সঞ্চয় আঁচনি য'ত কৰ্মচাৰীয়ে তেওঁৰ মাহেকীয়া আয়ৰ এক অংশ ভৱিষ্যতৰ বাবে সঞ্চয় কৰে আৰু যেতিয়া অৱসৰ গ্ৰহণ কৰে তেতিয়া এই সঞ্চিত টকাখিনি ঘূৰাই পায়। এই আঁচনিৰ অধীনত কৰ্মচাৰীৰ দৰমহাৰ পৰা এটা নিৰ্দিষ্ট পৰিমাণৰ টকা কাটি ৰখা হয় আৰু এই টকা আয়কৰৰ পৰা মুক্ত থাকে। জমাকাৰীয়ে জমা কৰা টকাৰ পৰা বছেৰেকীয়া হাৰত সুতো লাভ কৰিব পাৰে আৰু প্ৰয়োজন হ'লে ঋণো ল'ব পাৰে। এই পদ্ধতি দুই ধৰণৰ— সাধাৰণ প্ৰভিডেন্ট ফাণ্ড আৰু কন্টিবিউটেৰি (conbibutory) প্ৰভিডেন্ট ফাণ্ড।

**সাধাৰণ প্ৰভিডেন্ট ফাণ্ড (General Provident Fund) ঃ**

এই আঁচনিৰ অধীনত চৰকাৰী কৰ্মচাৰী সকলক সামৰি লোৱা হৈছে। তেওঁলোকৰ মাহেকীয়া মূল বেতনৰ (basic pay) পৰা শতকৰা ১০ ভাগ কাটি ৰখা হয়। তাৰ লগত সুতসহ অৱসৰ গ্ৰহণ কৰাৰ পাছত কৰ্মচাৰীজনক পৰিশোধ কৰা হয়। কৰ্মচাৰীজনে প্ৰয়োজন হ'লে ইয়াৰ পৰা ঋণ লব পৰা সুবিধা আছে আৰু এই টকাৰ আয়কৰ পৰিশোধ কৰিব লগা নহয়। যদি কৰ্মচাৰীজন ২০ বছৰৰ অধিক কাল চাকৰি কৰে, তেতিয়া তেওঁ লোৱা ঋণ পৰিশোধ নকৰিলেও হয়। যদি কৰ্মচাৰীজনৰ চাকৰি কৰাৰ সময়ত মৃত্যু হয়, তেতিয়া তেওঁ মনোনীত কৰা ব্যক্তিয়ে সেই টকা পৰিশোধ কৰে।

**Contributory Provident Fund ঃ** এই আঁচনিৰ অধীনত বেচৰকাৰী, অৰ্দ্ধ চৰকাৰী অনুষ্ঠানত কাম কৰা ব্যক্তিসকলক সামৰি লোৱা হৈছে আৰু তেওঁলোকৰ মূল বেতনৰ শতকৰা ১২ ভাগ প্ৰতি মাহে কাটি ৰখা হয়, আৰু একে সমান পৰিমাণৰ টকা অনুস্থান বা প্ৰতিস্থানটোৰ কৰ্মচাৰীজনৰ নামত জমা দিয়ে। যেতিয়া কৰ্মচাৰীজনে অৱসৰ গ্ৰহণ কৰে তেতিয়া সেই টকা সুতসহ ঘূৰাই পায়।

(চ) বিনিয়োগ পদ্ধতি নিৰ্বাচনৰ নীতি (Ba-


sic for selection of methods of Investment) : তোমালোকে বিনিয়োগৰ সুবিধা আৰু পদ্ধতিসমূহৰ বিষয়ে গম পালা। এতিয়া এই বিনিয়োগ কেনেকৈ ক'ত কৰিলে লাভৱান হোৱাৰ লগতে নিৰাপদো হয় সেই দিশটোলে চাওঁ আহা। বিনিয়োগৰ বিভিন্ন আঁচনি আছে। সেইবোৰৰ কোনবোৰ আঁচনি লাভজনক, নিৰাপদ ইত্যাদি বিবেচনা কৰিব লাগে। কিছুমান আঁচনি আছে যাৰ পৰা যথেষ্ট লাভ পাব পাৰি, কিন্তু নিৰাপদ নহয়। আকৌ কিছুমানৰ পদ্ধতিবোৰ এনে জটিল, সহজে বুজি পোৱা টান আৰু কিছুমানৰ পৰা লাভ খুউব কম হয় কিন্তু নিয়মীয়া ইত্যাদি।

সেয়েহে বিনিয়োগ কৰাৰ আগতে বিনিয়োগ কাৰীয়ে ভালকৈ জানি বুজি লোৱা প্ৰয়োজন আৰু এই ক্ষেত্ৰত বিনিয়োগৰ জ্ঞান থকা মানুহৰ পৰামৰ্শহে ল'ব লাগে। বিনিয়োগৰ সময়ত বিবেচনা কৰিব লগা দিশসমূহ হ'ল।

(১) প্ৰথমেই আমি মন কৰিব লাগে নিৰাপত্তাৰ দিশটো। সকলো বিনিয়োগকাৰীয়ে লাভ অৰ্জনৰ অৰ্থে টকা বিনিয়োগ কৰে। বিনিয়োগ কৰাৰ আগতে মূলধনখিনি নিৰাপদ হ'বনে নহয় সেইটো চালিজাৰি চাব লাগে আৰু একে ঠাইতে বা একে আঁচনিতে বিনিয়োগ কৰাৰ পৰিবৰ্তে কেইবা ঠাইত বা আঁচনিত বিনিয়োগ কৰিব লাগে। এইক্ষেত্ৰত চৰকাৰী বণ্ড, চিকিউৰিটি আদি বেছ নিৰাপদ যদিও আয়ৰ পৰিমাণ তুলনামূলকভাৱে আন কোম্পানীতকৈ কম।

(২) দ্বিতীয়তে লাভ বা আয় কেনে পোৱা যাব সেই দিশটো মন কৰিব লাগে। বিনিয়োগকাৰীয়ে যিটো লক্ষ্যৰে বিনিয়োগ কৰে সেইটো যাতে পাব পাৰে আৰু নিশ্চিত হয়, তেতিয়াহে বিনিয়োগ কৰিব লাগে। এই ক্ষেত্ৰত বেংক, ডাকঘৰ আদিত বিনিয়োগ কৰিলে লাভ বা আয় হোৱাৰ নিশ্চিতি থাকে।

(৩) তৃতীয়তে বিনিয়োগকাৰীয়ে বিনিয়োগ কৰাৰ সময়ত বিবেচনা কৰিব লাগে যে তেওঁ সহজে পৰিচালনা কৰিব পাৰিবনে নোৱাৰে। কিয়নো বিনিয়োগ পৰিচালনা কৰিবলৈ যথেষ্ট সময়, অৰ্থ, জ্ঞানৰ প্ৰয়োজন হয়।




বিনিয়োগৰ সময়ত বিবেচনা কৰিব লগা দিশসমূহ

(৪) চতুৰ্থতে বিবেচনা কৰিবলগীয়া দিশ হ'ল প্ৰয়োজনৰ সময়ত বিক্ৰী কৰিব পাৰিবনে নোৱাৰে। যেনে— যদি বিনিয়োগকাৰীজনে কোনো নাম থকা কোম্পানীৰ অংশ পত্ৰ (Share) ক্ৰয় কৰি বিনিয়োগ কৰে, তেতিয়া সময়ত বিক্ৰী কৰিবলৈ সহজ হয়। কিন্তু যদি নাম নথকা, কোম্পানী বা লোকচান হোৱা ঠাইত বিনিয়োগ কৰে তেতিয়া বিক্ৰী কৰাৰ অসুবিধা হ'ব।

এই বিলাকৰ উপৰিও, কোন ক্ষেত্ৰত বিনিয়োগ কৰিলে কৰ ৰেহাই পোৱা যায় সেই দিশটো চাব লাগে। যেনে— বীমা নিগম, ৰাষ্ট্ৰীয় সঞ্চয় চাৰ্টিফিকেট আদিত কৰিলে কৰ ৰেহাই পাব পাৰি। সেয়েহে এনে ক্ষেত্ৰ সমূহত বিনিয়োগ কৰাৰ পৰা লাভ হয়। এতিয়া তোমালোকে বিনিয়োগ কৰাৰ আগতে বিবেচনা কৰিব লগা দিশবোৰৰ বিষয়ে গম পালা। এই সকলোবোৰ দিশেই মন কৰিবলগীয়া। ভৱিষ্যতে তোমালোকে নিজে কৰিলে বা পিতৃ-মাতৃৰ লগতে আন ব্যক্তিকো এই ক্ষেত্ৰত পৰামৰ্শ দিব পাৰিবা নহয় নে?

## মূলভাৱ

- সঞ্চয় হ'ল বৰ্তমানৰ আয়ৰ এক অংশ ভৱিষ্যতে ব্যৱহাৰ কৰিবৰ বাবে আছুতীয়াকৈ ৰখা টকা।
- সঞ্চয় কৰিলে পৰিয়ালৰ প্ৰয়োজন, লক্ষ্য পূৰণ কৰিব পাৰি।
- বিনিয়োগ হ'ল সঞ্চিত টকা উৎপাদনশীল কামত খটোৱা বেঙ্ক, পষ্ট অফিচ, বীমা নিগম আদি সঞ্চয় আৰু বিনিয়োগৰ অনুষ্ঠান।
- বিনিয়োগ কোনো কোম্পানীৰ অংশপত্ৰ, মাটি, সোণ আদি ক্ৰয় কৰিও কৰিব পাৰি।

## প্ৰশ্নাৱলী

১। অতি চমু উত্তৰৰ প্ৰশ্ন ঃ

(ক) সঞ্চয় হ'ল ______ আৰু ______ মাজৰ পাৰ্থক্য

(খ) বিনিয়োগ হ'ল এনে কাৰ্য্য য'ত ______ কাৰ্য্যত খটুৱা হয়।

(গ) সঞ্চয়ৰ দুটা অনুষ্ঠানৰ নাম দিয়া

(ঘ) বেংকত টকা জমা কৰাৰ দুটা পদ্ধতিৰ নাম দিয়া।

(ঙ) চেকৰ দুটা প্ৰকাৰৰ নাম দিয়া

২। চমু উত্তৰৰ প্ৰশ্ন ঃ

(ক) সঞ্চয় বুলিলে কি বুজা?

(খ) সঞ্চয়ৰ দুটা গুৰুত্ব উল্লেখ কৰা

(গ) সঞ্চয় আৰু বিনিয়োগৰ দুটা পাৰ্থক্য দুটা লিখা

(ঘ) বেংকত সঞ্চয় কৰাৰ সুবিধা লিখা।

(ঙ) চেক dishonour হোৱাৰ দুটা কাৰণ উল্লেখ কৰা।

(চ) A. T. M কি?

(ছ) বিনিয়োগ পদ্ধতিৰ নিৰ্বাচনৰ সময়ত বিবেচনা কৰা দুটা নীতি উল্লেখ কৰা।

৩। দীঘল উত্তৰৰ প্ৰশ্নসমূহ ঃ

(ক) সঞ্চয় কি? সঞ্চয় কৰাৰ প্ৰয়োজন বা গুৰুত্ব কি কি?

(খ) বিনিয়োগ বুলিলে কি বুজা? বিনিয়োগ আৰু সঞ্চয়ৰ মাজৰ পাৰ্থক্য উল্লেখ কৰা।

(গ) সঞ্চয় কৰাৰ যি কোনো দুটা অনুষ্ঠানৰ বিষয়ে লিখা।

(ঘ) বেংকৰ টকা জমা কৰাৰ পদ্ধতিসমূহ কি কি? এই পদ্ধতিসমূহৰ যিকোনো দুটাৰ বিষয়ে লিখা।

(ঙ) চেক কি? চেক কেই প্ৰকাৰৰ? প্ৰত্যেক বিধ চেকৰ বিষয়ে চমুকৈ লিখা।

(চ) বিনিয়োগ পদ্ধতি নিৰ্বাচনৰ নীতিসমূহ উল্লেখ কৰা।

(ছ) চমু টোকা লিখা

১) ডাক্ঘৰ অফিচ

২) বীমা নিগম

৩) প্ৰভিডেন্ট ফাণ্ড

৪) ক্ৰছড চেক

৫) A. T. M

—oo—